## কলগাছিয়াত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে প্ৰতিবাদ

# ক'লাবেজ পিন্ধি ধৰ্মঘটত বহিল নৱজ্যোতি কলেজৰ শিক্ষাগুৰু




নিয়মীয়া বাৰ্তা, কলগাছিয়া, ১৬ ডিচেম্বৰ ঃ কলগাছিয়াত কলেজ শিক্ষক গোটে আজি ক'লাবেজ পৰিধান কৰি নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে পালন কৰে প্ৰতিবাদ। উল্লেখ্য যে নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থা তথা আন সংগঠনৰ আন্দোলনলৈ সমৰ্থন জাহিৰ কৰি সদৌ অসম কলেজ শিক্ষক সন্থাৰ বৰপেটা মাণ্ডলিকৰ সিদ্ধান্ত মৰ্মে আজি কলগাছিয়াৰ নৱজ্যোতি কলেজ শিক্ষক গোটে দিনৰ ১১ বজাৰ পৰা ১ বজালৈ তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। শিক্ষকসকলে হাতে হাতে প্লে-কাৰ্ড লৈ অসমত প্ৰতিজন খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত হ'ব লাগিব, সংবিধান সংশোধনৰ নামত ৰাজনীতি নচলিব, অসমত অসমীয়া ভাষা-সংস্কৃতি সদায় বৰ্তি থাকিব আদি বাণীৰ জৰিয়তে নাগৰিকত্ব সংশোধনী আইনৰ বিৰোধিতা কৰে।

১৭/১২/২০১৯

নিয়মীয়া বাৰ্তা